অসম

# তেজপুৰত সযতনে সংৰক্ষিত ‘জয়মতী’ৰ দুর্লভ গ্রামোফোন ৰেকর্ড

তেজপুৰৰ শিল্পী প্রাঞ্জল বৰুৱাই জ্যোতিপ্রসাদ আগৰৱালা-বিষ্ণুপ্রসাদ ৰাভাৰ ‘জয়মতী’সহ কেইবাখনো ঐতিহাসিক নাটকৰ ৰেকর্ড সংৰক্ষণ কৰি ৰাখিছে।

প্রকাশ: ৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৯




(NewzNow)

তেজপুৰ: ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্রসাদ ৰাভাই যুটীয়াভাৱে পৰিচালনা কৰা বিখ্যাত ‘সেনোলা ৰেকর্ড’ৰ প্রথমখন নাটক ‘জয়মতী’ৰ কেইবাখনো দুর্লভ গ্রামোফোন ৰেকর্ড আজিও সযতনে সংৰক্ষণ কৰি ৰাখিছে তেজপুৰৰ শিল্পী প্রাঞ্জল বৰুৱাই।

বৰুৱাই মাতৃৰ সূত্রে এই কালজয়ী সম্পদসমূহ লাভ কৰিছিল। তেওঁৰ ককাক ব্রিটিছ শাসনকালত বিহালীৰ এজন সাংস্কৃতিক মনৰ মৌজাদাৰ বেণুধৰ দত্ত আছিল।

বৰুৱাৰ সংগ্রহত ‘জয়মতী’ৰ উপৰি ‘পাপৰি কবি’ গণেশ চন্দ্র গগৈ প্রযোজিত নাটক ‘লাচিত’ৰ গ্রামোফোন ৰেকর্ডো আছে।

ইয়াৰ লগতে উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ ‘মনোমতী’ উপন্যাসৰ আধাৰত নাট্যকাৰ তথা অভিনেতা ব্ৰজনাথ শৰ্মাই ৰচনা আৰু প্ৰযোজনা কৰা নাটক ‘মনোমতী’ৰ ৰেকৰ্ডো তেওঁ সযতনে সংৰক্ষণ কৰি ৰাখিছে।

আনহাতে, ১৯৩৭ চনত জ্যোতিপ্ৰসাদ আগৰৱালাই তেজপুৰত স্থাপন কৰা ৰাজ্যৰ প্ৰথম চিত্ৰগৃহ ‘জোনাকী’ সংৰক্ষণৰ অভাৱত ধ্বংসস্তূপত পৰিণত হৈছে। প্ৰথম অসমীয়া ছবি ‘জয়মতী’ মুক্তিৰ পাছত প্ৰেক্ষাগৃহৰ অভাৱ দূৰ কৰাৰ উদ্দেশ্যে চিত্ৰগৃহটো স্থাপন কৰা হৈছিল।

এফালে ‘জোনাকী’ চিত্ৰগৃহ ধ্বংসৰ মুখলৈ যোৱাৰ সময়তে আনফালে বৰুৱা পৰিয়ালে বছৰ বছৰ ধৰি এই ঐতিহাসিক নাট্য-সম্পদসমূহ সুৰক্ষিত কৰি অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ বিশেষ বৰঙণি আগবঢ়াইছে।

---

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1202/tejpu-jzmtee-gamofon-ekd-panjl-bua